প্ৰতিটো নিচা জাতীয় বস্তুৱে হৈছে মাদকদ্ৰৱ্যৰ অন্তৰ্ভুক্ত, আৰু প্ৰতিটো নিচা জাতীয় বস্তুৱে হাৰাম। যিয়ে পাৰ্থিৱ জীৱনত মাদক দ্ৰৱ্য সেৱন কৰিব আৰু এই ক্ষেত্ৰক অভ্যস্ত হৈ তাওবা নকৰাকৈ মৃত্যুবৰণ কৰিব, আখিৰাতত সি শ্বাৰাব সেৱনৰ পৰা বঞ্চিত হ'ব।

ইবনে ‘ওমৰ ৰাদ্বিয়াল্লাহু ‘আনহুমাৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ "প্ৰতিটো নিচা জাতীয় বস্তুৱে হৈছে মাদকদ্ৰৱ্যৰ অন্তৰ্ভুক্ত, আৰু প্ৰতিটো নিচা জাতীয় বস্তুৱে হাৰাম। যিয়ে পাৰ্থিৱ জীৱনত মাদক দ্ৰৱ্য সেৱন কৰিব আৰু
এই ক্ষেত্ৰক অভ্যস্ত হৈ তাওবা নকৰাকৈ মৃত্যুবৰণ কৰিব, আখিৰাতত সি শ্বাৰাব সেৱনৰ পৰা বঞ্চিত হ'ব।"
[ছহীহ]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে স্পষ্ট কৰিছে যে, যি বস্তুৱে মানুহৰ বিবেক নাইকিয়া কৰে, তথা যিটো খালে মতলীয়া হৈ পৰে, সেইটোৱে হৈছে মাদক দ্ৰৱ্য তথা নিচা জাতীয় বস্তু, সেয়া পানীয় হওক বা খোৱা বস্তু অথবা শুঙিব পৰা কোনো বস্তু নাইবা শৰীৰত লব পৰা কোনো ইনজেকচন। বিবেক নাইকিয়া কৰা প্ৰতিটো নিচা জাতীয় বস্তুকে আল্লাহে হাৰাম কৰিছে তথা ইয়াৰ পৰা নিষেধ কৰিছে। পৰিমাণত কম হওক বা বেছি। এতেকে যিয়ে কোনো প্ৰকাৰ নিচা জাতীয় দ্ৰৱ্য সেৱনত আসক্ত হৈ তাওবা নকৰাকৈ মৃত্যুবৰণ কৰিব, সি আল্লাহৰ শাস্তিৰ সন্মুখীন হ'ব, তথা জান্নাতী সুৰা সেৱনৰ পৰা বঞ্চিত হ'ব।

https://sunnah.global/hadeeth/as/show/58259